# দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠাপক অধ্যক্ষ শিৱকুমাৰ সিংহ স্মাৰক বক্তৃতা

## বিষয়ঃ যুৱ ২০ আৰু একবিংশ শতিকাৰ পৃথিৱীঃ এক প্ৰত্যাশাৰ ভৱিষ্যত”

স্থানঃ খোৱাং মহাবিদ্যালয় প্ৰেক্ষাগৃহ, খোৱাংঘাট, ডিব্ৰুগড়, অসম

তাৰিখঃ ০৮ এপ্ৰিল, ২০২৩

সময়ঃ দিনৰ ১০ বজাৰ পৰা

## নিমন্ত্ৰণী শৰাই

শ্ৰদ্ধাস্পদেষু,

আন্তৰিক সম্ভাষণ গ্ৰহণ কৰিব। ডিব্ৰুগড় জিলাস্থ বৃহত্তৰ খোৱাং অঞ্চলৰ একালৰ এজন অতি সৰবৰহী তথা শিক্ষাপ্ৰাণ ব্যক্তি খোৱাং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শিৱকুমাৰ সিংহ সমগ্ৰ খোৱাং অঞ্চলৰ লগতে মহাবিদ্যালয়খনৰ বাবেও এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি। অতি দুখৰ কথা যে সেই বিশাল ব্যক্তিত্ব আজি আমাৰ মাজত নাই। তেখেতক আমাৰ মাজত জীয়াই ৰখাৰ এক ক্ষুদ্ৰ প্ৰয়াস হিচাপে খোৱাং মহাবিদ্যালয় আৰু যোগমায়া বড়াস্মাৰক শৈক্ষিক ন্যাস সমিতিৰ যুটীয়া উদ্যোগত “অধ্যক্ষ শিৱকুমাৰ সিংহ স্মাৰক বক্তৃতামালা”ৰ আয়োজন কৰি অহা হৈছে। বিভিন্ন শৈক্ষিক বিষয়ত বিদ্যায়তনিক আলোচনাৰ জৰিয়তে নৱপ্ৰজন্মৰ মাজত বৌদ্ধিক চেতনাৰ বিকাশ ঘটোৱাই আমাৰ এইআন্তৰিক প্ৰয়াসৰ মুখ্য উদ্দেশ্য।

এই বক্তৃতামালাৰে  দ্বিতীয় সংস্কৰণটি অহা **এপ্ৰিল মাহৰ ০৮ তাৰিখে দিনৰ ১০ বজাৰ পৰা আমি খোৱাং মহাবিদ্যালয়ৰ প্ৰাংগণত** আয়োজন কৰিছোঁ আৰু এই আন্তৰিক নিমন্ত্ৰণী শৰাই আগবঢ়াইছোঁ। দ্বিতীয় বক্তৃতাটিৰ বাবে আমি মনস্থ কৰা বিষয়টি হৈছে  **“যুৱ ২০ আৰু একবিংশ শতিকাৰ পৃথিৱীঃ এক প্ৰত্যাশাৰ ভৱিষ্যত”**। উক্ত অনুষ্ঠানতবীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, গোলাঘাটৰ মাননীয় উপাচাৰ্য্য  প্ৰাধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়া দেৱে সমলব্যক্তি স্বৰূপে 'যুৱ ২০ আৰু একবিংশ শতিকাৰ পৃথিৱীঃ এক প্ৰত্যাশাৰ ভৱিষ্যত' বিষয়ত বক্তৃতা প্ৰদান কৰিব।

উক্ত অনুষ্ঠানটিলৈ আপোনাক/আপোনাসৱক সাদৰ নিমন্ত্ৰণ জনালোঁ।

-ভৱদীয়

ড° ত্ৰৈলোক্য দিহিঙীয়া
অধ্যক্ষ
খোৱাং মহাবিদ্যালয়

ড° বিনোদ চন্দ্ৰ বড়া
সম্পাদক
যোগমায়া বড়াস্মাৰক শৈক্ষিক ন্যাস সমিতি, ডিব্ৰুগড়